**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

নং ঃ ১৭৬/২০২০

## প্ৰধানমন্ত্ৰীয়ে আহ্বান জনোৱা লক্-ডাউনৰ বৰ্দ্ধিত সময়সীমা নিষ্ঠাৰে মানি চলিবলৈ জনসাধাৰণক আহ্বান মুখ্যমন্ত্ৰী সোণোৱালৰ

### কৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ ৰাজ্যবাসীয়ে একত্ৰিত হৈ যুঁজ দিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৫ এপ্ৰিল ঃ** ৰঙালী বিহু আৰু অসমীয়া নৱবৰ্ষৰ প্ৰথম দিনটোত মঙলবাৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰগড়ৰ নিজা বাসভৱনত সংবাদ মাধ্যমক সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনোৱা ২১ দিনীয়া লক্-ডাউন নিষ্ঠাৰে পালন কৰাৰ বাবে ৰাজ্যবাসীৰ শলাগ লয়। মুখ্যমন্ত্ৰী সোণোৱালে লগতে প্ৰধানমন্ত্ৰী মোদীয়ে আজি দেশবাসীক উদ্দেশ্যি প্ৰদান কৰা ভাষণত ৩ মে'লৈ বৃদ্ধি কৰা লক্-ডাউনৰ সময়সীমা শৃংখলাৱদ্ধভাৱে পালন কৰিবলৈ জনসাধাৰণক আহ্বান জনায় যাতে কৰ'না ভাইৰাছৰ সংক্ৰমণৰ পৰা দেশক সুৰক্ষিত কৰিব পৰা যায়। তদুপৰি, মুখ্যমন্ত্ৰী সোণোৱালে লক্-ডাউনৰ বৰ্দ্ধিত সময়ছোৱাত সামাজিক  ব্যৱধানৰ নীতি পূৰ্ণৰূপে মানি চলি ক'ভিড-১৯ ৰ সংক্ৰমণ সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰাৰ ওপৰত বিশেষভাৱে জোৰ দিয়ে।

ৰাজ্যৰ স্বাস্থ্য বিভাগৰ সৈতে জড়িত চিকিৎসক, নাৰ্ছ, লেবৰেটৰি টেকনিচিয়ান, আশা কৰ্মী, এম্বুলেঞ্চৰ চালক, এম পি ডব্লিউ, ছাফাই কৰ্মীৰ উপৰি খাদ্য আৰু অসামৰিক যোগান বিভাগ, আৰক্ষী, শক্তি বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ লগতে বিভিন্ন বিভাগে কৰ'না ভাইৰাছৰ প্ৰাৰ্দুভাৱ ৰোধ কৰিবলৈ ৰাজ্যখনত চলি থকা যুঁজত আগবঢ়োৱা অৱদানৰ প্ৰশংসা কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সময়োপযোগী পদক্ষেপৰ ফলস্বৰূপে ভাৰতবৰ্ষত কৰ'না ভাইৰাছৰ সংক্ৰমণ বহু পৰিমাণে নিয়ন্ত্ৰণ কৰাটো সম্ভৱ হৈ উঠিছে। ইয়াৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী গৰাকীক ধন্যবাদ জনায়। কৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ কোনো প্ৰতিষেধক আৱিস্কাৰ নোহোৱা তথা এই ৰোগৰ সুনিশ্চিত চিকিৎসা ব্যৱস্থা নথকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে নিয়মীয়াকৈ হাত ধোৱাৰ লগতে ব্যক্তিগত পৰিস্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাৰ উপৰি সামাজিক ব্যৱধানৰ নীতি মানি চলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ৰাজ্যবাসীক লক্-ডাউনৰ বাবে ঘোষণা কৰা বৰ্দ্ধিত সময়ছোৱা সহজভাৱে নল'বলৈ আহ্বান জনাই তেওঁ ৰাজ্যবাসীক সতৰ্ক কৰি কয় যে লক্-ডাউনৰ নীতি অৱমাননা কৰা তথা জনসাধাৰণৰ যিকোনো অৱহেলাই পৰিস্থিতি অধিক বিষম কৰি তোলাৰ লগতে চৰকাৰে নিষ্ঠাৰে গ্ৰহণ কৰি অহা পদক্ষেপ সমূহক অসাৰ কৰি তুলিব।

বৰ্তমানলৈকে ৰাজ্যবাসীয়ে ক'ভিড-১৯ ৰ বিৰুদ্ধে চলা এই যুঁজখনত যথেষ্ট ধৈৰ্য আৰু সংযম প্ৰদৰ্শন কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ব'হাগ বিহুৰ উৎসৱৰ এই সময়ছোৱাত অসমৰ বহু জনসাধাৰণ দেশ-বিদেশৰ বিভিন্ন প্ৰান্তত আৱদ্ধ হৈ থাকিবলগীয়া হৈছে। এনেদৰে অৱৰুদ্ধ অসমবাসীক মুখ্যমন্ত্ৰী সোণোৱালে ধৈৰ্য ধৰিবলৈ আহ্বান জনাই কয় যে এই দুঃসময় অতিক্ৰম হ'লেই তেওঁলোক নিজৰ পৰিয়ালৰ সৈতে একত্ৰ হ'ব পাৰিব। এইসকল লোকক মুখ্যমন্ত্ৰী সোণোৱালে নিজ নিজ ঠাইতে থাকি কৰ'না ভাইৰাছৰ সংক্ৰমণৰ পৰা নিজকে সুৰক্ষিত কৰি ৰাখিবলৈও আহ্বান জনায়। আগন্তুক

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

দিনবোৰত ৰাজ্যত ক'ভিড-১৯ ৰ সংক্ৰমিত ৰোগীৰ সংখ্যা বৃদ্ধি পালেও তেনে পৰিস্থিতি মোকাবিলা কৰিবলৈ ৰাজ্য চৰকাৰ পূৰ্ণ ৰূপত প্ৰস্তুত হৈ আছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে উল্লেখ কৰি ৰাজ্যবাসীক আশ্বস্ত কৰি কয় যে তেওঁলোকৰ সহযোগত এই দুৰ্যোগপূৰ্ণ সময়ৰ পৰা ৰাজ্যখনক উদ্ধাৰ কৰাটো সম্ভৱ হৈ উঠিব।

মুখ্যমন্ত্ৰী সোণোৱালে আজি ডিব্ৰুগড় জিলাৰ খনিকৰত জিলা প্ৰশাসনে গৃহহীন পৰিয়ালৰ বাবে স্থাপন কৰা আশ্ৰয়স্থলীত উপস্থিত হৈ আশ্ৰয় লৈ থকা লোকসকলক আহাৰ যোগান ধৰে। মুখ্যমন্ত্ৰী সোণোৱালে ৰাজ্যৰ দৰিদ্ৰ লোকসকলক সহায় কৰিবলৈ সমাজলৈ আহ্বান জনাই কয় যে সমাজৰ দৰিদ্ৰ আৰু পিছপৰা শ্ৰেণীৰ লোকসকলক খাদ্য সামগ্ৰী যোগান ধৰাৰ বাবে ৰাজ্য চৰকাৰে নিজাববীয়া পদক্ষেপ গ্ৰহণ কৰিছে।

ভাৰতবৰ্ষৰ সংবিধান প্ৰণেতা বাবাচাহেব ভীমৰাও ৰামজী আম্বেদকাৰৰ জন্ম দিৱসৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী সোণোৱালে এই পুৰোধা গৰাকীৰ প্ৰতিও আজি গভীৰ শ্ৰদ্ধা নিবেদন কৰে।

**স্বাঃডেঃ / বীঃগঃ / পুঃডেঃ**
**১৫/০৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in